## ১০.০২ অৰ্থতত্ত্বৰ চিন্তা-চৰ্চা আৰু অধ্যয়নৰ ক্ৰমবিকাশ ঃ

**(ক) প্ৰাচ্য ধাৰা ঃ**

প্ৰাচীন কালৰেপৰা ঋষি-মুনিসকলে ভাষাক বিজ্ঞানসন্মতভাৱে অধ্যয়ন কৰাৰ প্ৰচেষ্টা চলাই আহিছে। বিশেষকৈ বৈদিক যুগৰপৰা শব্দৰ অৰ্থৰ দিশত গুৰুত্ব প্ৰদান কৰি আহিছে। বেদৰ ভিতৰত ঋগ্বেদেই প্ৰাচীন। ঋগ্বেদৰ ১০/৭১ আৰু ১০/১২৫ সূক্ততেই ভাষাবিষয়ক আলোচনাৰ প্ৰথম বীজ অংকুৰিত হৈছিল। ঋগ্বেদৰ ৯/৭১/৫ নং সূক্তত আৰু য়াস্কৰ নিৰুক্ত ১/২০ নং সূক্তত অৰ্থ সম্পৰ্কে আলোচনা পোৱা যায়।[২] এই সূক্তসমূহৰ মতে, "এজোপা গছ হ'বলৈ হ'লে ফল আৰু ফুল থাকিব লাগিব। ঠিক তেনেদৰে অৰ্থৰ অবিহনে ভাষা হ'ব নোৱাৰে"। তদুপৰি নিৰুক্ত আৰু কোষগ্ৰন্থৰ ৰচক য়াস্কে বৈদিক শব্দবোৰ সজাই ব্যুৎপত্তি নিৰ্ণয় আৰু অৰ্থবিশ্লেষণ কৰিবলৈ চেষ্টা কৰিছিল। অভিধান ৰচনাৰ পূৰ্বপ্ৰস্তুতি মহামুনি য়াস্কে প্ৰৱৰ্তন কৰিছিল বুলিব পাৰি। বেদাঙ্গসমূহৰ পাছৰ কালৰ ব্যাকৰণ ৰচক কাত্যায়ন, পতঞ্জলি, ব্যাস আদিয়েও শব্দৰ অৰ্থৰ দিশত গুৰুত্ব প্ৰদান কৰিছিল, তেওঁলোকে শব্দ আৰু অৰ্থৰ সম্বন্ধক নিত্য, শাশ্বত (eternal) বুলি অভিহিত কৰিছিল। পতঞ্জলিৰ মতে — 'শব্দৈৰথৌকিধামাম' অৰ্থাৎ শব্দই সদায় প্ৰকৃত অৰ্থহে প্ৰকাশ ঘটায়। কাত্যায়নৰ মতে — 'সিদ্ধে শব্দায় সম্বন্ধে' অৰ্থাৎ শব্দ আৰু অৰ্থৰ সম্বন্ধ নিত্য আৰু শাশ্বত।


**(খ) পাশ্চাত্য ধাৰা ঃ**

ভাৰতীয় প্ৰাচীন পণ্ডিতসকলৰ দৰে পাশ্চাত্য জগততো ভাষা চিন্তা, ভাষা শিকোৱা আৰু ভাষাৰ চৰ্চাত অৰ্থৰ দিশত গুৰুত্ব প্ৰদান কৰি আহিছে। দাৰ্শনিক, ভাষাবিজ্ঞানী, সমাজবিজ্ঞানী, মনোবিজ্ঞানীসকলে ভাষাৰ মাজত অন্তৰ্নিহিত হৈ থকা অৰ্থৰ প্ৰতি আকৃষ্ট হৈ, প্ৰত্যেকেই নিজা দৃষ্টিভংগীৰে অৰ্থৰ বিষয়ে বিশ্লেষণী তত্ত্ব আগবঢ়াইছে। কিন্তু উনৈশ শতিকালৈকে ভাষাৰ চিন্তাধাৰাত অৰ্থবিশ্লেষণ সম্পৰ্কে বিজ্ঞানসন্মত আলোচনা হোৱা নাছিল। এই সময়ছোৱাৰ ভাষাৰ বিশ্লেষণ অধিক বস্তুনিষ্ঠ (Objective) আৰু পদ্ধতিমূলক (Systematic) হোৱাৰ ফলত ভাষা-বিজ্ঞানীসকলে অৰ্থৰ বাহিৰে ভাষাৰ অন্যান্য দিশতহে গুৰুত্ব দিছিল। কিন্তু কুৰি শতিকাৰ শেষভাগত ঐতিহাসিক আৰু বৰ্ণনাত্মক ভাষাবিজ্ঞানৰ যোগেদি ভাষাৰ বিভিন্ন বিষয়বোৰৰ অধ্যয়নত মনোনিৱেশ কৰাৰ উপৰি মনস্তাত্ত্বিক দিশৰ পৰা ভাষা বিশ্লেষণক প্ৰগাঢ় কৰিবলৈ অৰ্থতত্ত্বৰ সহায়ত ভাষা অধ্যয়ন কৰাত গুৰুত্ব আৰোপ কৰিলে। অৰ্থতত্ত্বক ভিত্তি কৰি কৰা ভাষাৰ আলোচনাৰ ফলস্বৰূপে সমাজ-ভাষাবিজ্ঞান, মনোবিজ্ঞান আদি নতুন নতুন প্ৰশাখাৰ জন্ম হ'ল। প্ৰাচীন

কালৰেপৰা বৰ্তমানলৈকে ভাষাবিজ্ঞানীসকলে নিজা নিজা দৃষ্টিকোণৰ পৰা দাঙি ধৰা অৰ্থবিশ্লেষণৰ ধাৰাসমূহৰ বিষয়ে তলত চমুকৈ আলোচনা কৰা হৈছে।

**১। পৰম্পৰাগত ধাৰা (Traditional Approach) ঃ**

পাশ্চাত্য জগতত সৰ্বপ্ৰথম ভাষাচিন্তাৰ অংকুৰণ ঘটিছিল গ্ৰীচ দেশত। দাৰ্শনিক প্লেটো আছিল ভাষা-চিন্তাৰ অংকুৰণৰ প্ৰথম বীজ ৰোপণ কৰোঁতা। প্লেটোৱে তেওঁৰ 'Cratylus' গ্ৰন্থত শব্দ আৰু অৰ্থৰ যোগসূত্ৰৰ কথা উল্লেখ কৰি নানা যুক্তিনিৰ্ভৰ চিন্তা আগবঢ়াইছে। তেওঁৰ মতে, শব্দবোৰ ধ্বনিৰ অনুকৰণত সৃষ্টি হয় আৰু প্ৰত্যেকটো শব্দৰ একোটা নিজ অৰ্থ আছে। সমস্ত বাক্যৰ অৰ্থৰ লগত সংগতি থকা বাবে ধ্বনিয়ে অৰ্থ ব্যঞ্জিত কৰে। প্লেটোৰ দৰে আন এজন দাৰ্শনিক চক্ৰেটিছেও শব্দ আৰু অৰ্থৰ সম্বন্ধৰ কথা দোহাৰিছে। এই শ্ৰেণীৰ দাৰ্শনিকসকলৰ মতে, অৰ্থতত্ত্বৰ সম্বন্ধ (Semantic relationship)ক চিনাক্তকৰণৰ এটা নাম (Naming of signification) বুলি কৈছে। নাম আৰু বস্তুৰ লগত সম্বন্ধ থকা পৰম্পৰাগত মতক এটা চিনাক্তকৰণৰ ত্ৰিভুজ (Triangle of signification)ৰ দ্বাৰা নিয়ম অনুসৰি দেখুৱাব পাৰি। এই ত্ৰিভুজক অৰ্থৰ ত্ৰিভুজ (The semiotic triangle) বুলি অভিহিত কৰিব পাৰি বুলি উল্লেখ কৰিছে।





প্লেটো আৰু এৰিষ্টটলৰ পাছত ষ্টৈইক (Stoic) দাৰ্শনিকসকলেও ভাষা সম্পৰ্কীয় আলোচনাত নতুন মতবাদ আগবঢ়ায় আৰু তেওঁলোকে এটা দাৰ্শনিক সম্প্ৰদায় (Stoic Philosophical School) গঢ়ি তুলিছিল। এই সম্প্ৰদায়ৰ গুৰি ধৰোঁতা আছিল জেনো (Zeno)। ষ্টৈইক দাৰ্শনিকসকলে শব্দ আৰু অৰ্থৰ পাৰ্থক্যৰ ক্ষেত্ৰত গুৰুত্ব আৰোপ কৰিছিল আৰু সমৰূপৰ শব্দবোৰৰ অৰ্থৰ পাৰ্থক্য থাকিব পাৰে, এনেধৰণৰ নতুন চিন্তাত প্ৰবৃত্ত হৈছিল। তেওঁলোকৰ মতে, শব্দ হ'ল যি চিনাক্ত কৰে (signifies) আৰু অৰ্থ হ'ল যি বোধগম্য কৰে (signified)।

**২। বিশ্লেষণাত্মক ধাৰা (Analytical Approach) ঃ**

পৰম্পৰাগত ধাৰাই পাছলৈ বিশ্লেষণাত্মক ধাৰাৰ জন্ম দিয়ে। এই বিশ্লেষণাত্মক ধাৰাৰ আগশাৰীৰ ভাষাবিজ্ঞানী চচ্যুৰৰ মতে — উচ্চাৰণ কৰা শব্দৰ সম্বন্ধৰ

মূলভেটি হৈছে অৰ্থ (meaning is based on speech word relationship)। তেওঁৰ ভাষাচিন্তাত ভাষাক চিহ্নৰ প্ৰণালী বুলি উল্লেখ কৰিছে। ভাষাগত চিহ্নই (sign) অৰ্থাৎ ধ্বনিৰ সমষ্টিয়ে হৈছে ভাবৰ আদান-প্ৰদানৰ প্ৰাথমিক উপাদান। 'মা+আ+ন+উ+হ' এই ধ্বনি সমষ্টিয়ে গঢ়ি তোলা 'মানুহ' শব্দটো হৈছে চিহ্ন (sign)। 'মানুহ' শব্দই এক জীৱ বিশেষকহে বুজাইছে, অন্যান্য জীৱ — গৰু, ম'হ, হাতী, ঘোঁৰা, কুকুৰ আদিৰ পৰা মানুহ পৃথক। এই বিশেষ অৰ্থবোধেই হৈছে চিহ্নিত (signifie)। চিহ্নই প্ৰকাশ কৰিব খোজা ধাৰণাটো মনৰ মাজত খোপনি পুতি বোধ উৎপন্ন কৰে, ইয়াক মানসিক স্মৃতিত ৰখা হয়। চচ্যুৰে অৰ্থৰ বিষয়ে দাঙি ধৰা সিদ্ধান্তটোক এটা বৃত্তৰ সহায়েৰে দেখুৱাব পাৰি —




লিওনাৰ্ড ব্লুমফিল্ডেও বিশ্লেষণাত্মক দৃষ্টিভংগীৰে অৰ্থক বিচাৰ কৰিছিল যদিও চচ্যুৰৰ চিন্তাধাৰাৰ লগত কিছু প্ৰভেদ পৰিলক্ষিত হয়। বৰ্ণনাত্মক ভাষাবিজ্ঞানী কিছুমানে ভাষাৰ বৰ্ণনাত অৰ্থক বাদ দি ৰাখিছিল। তেওঁলোকৰ মতে, উচ্চাৰিত শব্দৰ লগত ভাবৰ সম্পৰ্ক থাকে। শব্দই যি সূচায়, সি অৰ্থবোধক বা ইংগিত প্ৰকাশক, কিন্তু সেই শব্দ আৰু বস্তুৰ লগত প্ৰত্যক্ষ সম্পৰ্ক নাই। কিন্তু বৰ্ণনাত্মক ভাষাবিজ্ঞানী ব্লুমফিল্ডৰ মতে — বক্তা আৰু শ্ৰোতাৰ বস্তু সম্পৰ্কে পূৰ্বজ্ঞান থাকিব লাগিব। বস্তু সম্পৰ্কে পূৰ্বজ্ঞান বা পূৰ্বধাৰণাৰ অবিহনে বক্তা আৰু শ্ৰোতাৰ মাজত ভাব বিনিময় কৰাটো অসম্ভৱ। ভাষাবিজ্ঞানৰ বিশেষ পদ্ধতিৰ দ্বাৰা ভাষাৰ প্ৰধান উপাদানবোৰ বাছি উলিয়াই সিহঁতৰ লগত অৰ্থৰ সম্পৰ্ক স্থাপন কৰে। ধ্বনি, ধাৰণা, বস্তু কোনোটোৱেই ভাষা নহয়। পদ্ধতিৰ দ্বাৰা শব্দ, ৰূপ বা আন কিবা মাধ্যমৰ যোগেদি মনৰ ভাব প্ৰকাশ কৰে আৰু এই ভাব অৰ্থপূৰ্ণ হ'লেই ভাষাৰূপে স্বীকৃতি দিয়া হয়; অৰ্থাৎ ভাষা অৰ্থপূৰ্ণ।

**৩। খণ্ডিতকৰণ ধাৰা (Distributional Approach) :**

খণ্ডিতকৰণ ধাৰাৰে ভাষাবিজ্ঞানীসকলে অৰ্থৰ বিশ্লেষণক ভাষাৰ গাঁথনিক দৃষ্টিভংগীৰে বিশ্লেষণ কৰিবলৈ বিচাৰে। এই ধাৰাৰ বাটকটীয়া হ'ল আৰ. এইচ. ৰবিন্স (R. H. Robins)। আমাৰ চাৰিওফালে আৱৰি থকা পৃথিৱীখনক

চিনাক্তকৰণৰ বাবে ব্যৱহাৰ কৰা শব্দসমূহৰ অৰ্থ মানুহৰ অভিজ্ঞতালব্ধ জ্ঞানৰ দ্বাৰা বিশ্লেষণ কৰা হয়। কিছুমান শব্দৰ লগত তাক ব্যৱহাৰ কৰা হয়। এটা শব্দৰ উপস্থিতিয়ে অন্য এটা শব্দৰ কথাও মনলৈ আনি দিয়ে। প্ৰত্যেক ভাষা-ভাষীৰ নিজা ভাষা-জ্ঞান থকা বাবেই শব্দৰ মাজত থকা চিৰাচৰিত সম্পৰ্কৰ কথা তেওঁলোকে সততে উপলব্ধি কৰিব পাৰে। অৰ্থতত্ত্বৰ উক্তধাৰাৰ ভাষাবিজ্ঞানীসকলে অৰ্থৰ দুটা সম্পৰ্কৰ কথা কৈছে — ক্ৰমাবদ্ধ (Paradagmatic relation) আৰু সহাবদ্ধ (syntagmatic relation)। মাতৃভাষাৰ লগত দীৰ্ঘদিনীয়া পৰিচয় থকাৰ বাবে ভাষা-ভাষীয়ে শব্দবোৰৰ মাজত থকা চিৰাচৰিত (Collocation) সম্পৰ্ক অৰ্থাৎ এটা শব্দৰ লগত আন এটা শব্দৰ সম্পৰ্কৰ বিষয়ে অৱগত হয়। অসমীয়া ভাষাত তেনে উদাহৰণ যথেষ্ট পোৱা যায়। যেনে — ৰঙা চকু, ৰুদ্ৰ মূৰ্তি, খঙত অগ্নিশৰ্মা, ফুটা কপাল, ডঙুৱা ডেকা, মৰতী ছোৱালী, স্বাধীন চিন্তা, সোণালী ধাননি, সেউজীয়া পথাৰ, উষ্ম বতাহ ইত্যাদি। লগৰ শব্দটোৰ অৰ্থৰ ভিত্তিত এনেবোৰ শব্দৰ অৰ্থবোৰ নিৰ্ভৰ কৰে। শব্দৰ লগত শব্দৰ চিৰাচৰিত সম্পৰ্কৰ কথাও অৰ্থতত্ত্বই সামৰি লয়।

আনহাতে ক্ৰমাবদ্ধ সম্পৰ্কৰ ভিত্তিত কিছুমান শব্দৰ অৰ্থ নিৰ্ভৰ কৰে। উদাহৰণস্বৰূপে, 'ঘৰ' শব্দটোৰ লগত ঘৰ বুজোৱা বস্তুটোৰ পোনপটীয়া সম্পৰ্ক নাই। পূৰ্ব জ্ঞান থকাৰ বাবে 'ঘৰ' শব্দটো উচ্চাৰণ কৰাৰ লগে লগে আমি 'ঘৰ' জাতীয় কিবা এটা বস্তুৰ ধাৰণা লওঁ। কিন্তু 'ঘৰ' শব্দটোৰ আনুষংগিক সম্পৰ্ক ৰক্ষা কৰি গৃহ, আলয়, মন্দিৰ, কুটীৰ, অট্টালিকা, বহা, পঁজা আদি ক্ৰমত থাকিহে 'ঘৰ' শব্দটোৱে অৰ্থ বহন কৰে। এই শব্দবোৰক একেধৰণৰ অৰ্থ প্ৰকাশক এটা গোট (sets) বুলি ধৰা হয়।

৪। **কাৰ্যকৰী ধাৰা (Operational Approach or Functional Approach) ঃ**

পঞ্চাশৰ দশকত ভাষাবিজ্ঞানীসকলে অৰ্থ সম্পৰ্কে এক নতুন চিন্তাধাৰাৰ সূচনা কৰে। উইট্‌গেনষ্টেন (L. Wittgensten)ৰ 'Philosophical Investigation' নামৰ গ্ৰন্থখন ১৯৫৩ চনত প্ৰকাশ পোৱাৰ পাছতে অৰ্থতত্ত্বৰ চৰ্চাত এক নৱ আলোড়নৰ সৃষ্টি হয়। উইট্‌গেনষ্টেনৰ তত্ত্বৰ সমৰ্থক আছিল মালিনোস্কি (Malinowski) আৰু জে. আৰ. ফ্ৰিথ (J. R. Frith)। এই ধাৰাৰ অৰ্থতাত্ত্বিকসকলে ভাষাৰ গাঁথনিক বিশ্লেষণৰ সহায়ত অৰ্থক বিচাৰ কৰিছিল। তেওঁলোকে অৰ্থ বা ধাৰণাক 'a set of operation' বুলি অভিহিত কৰিছে। যিহেতু নিৰীক্ষণৰ দ্বাৰাহে শব্দ এটাৰ প্ৰকৃত অৰ্থ নিৰূপণ কৰিব পাৰি। বক্তাই কি কৈছে, কিহৰ বিষয়ে কৈছে এই সম্পৰ্কে ভালদৰে নিৰীক্ষণ কৰিব লাগিব। বক্তাই কোনো

ভাব ব্যক্ত কৰোঁতে কি পৰিৱেশত কেনে ধৰণৰ শব্দ প্ৰয়োগ কৰিছে এই সকলোবোৰ কথা ভালদৰে চালি-জাৰি চাইহে প্ৰকৃত অৰ্থ উদ্‌ঘাটন কৰিব পাৰি। উদাহৰণস্বৰূপে, অসমীয়া ভাষাত 'মূৰ' শব্দটোৱে পৰিৱেশ ভেদে ভিন্ ভিন্ অৰ্থ প্ৰকাশ কৰে। যেনে — (১) মোৰ মূৰ কামুৰিছে, (২) সি মূৰত উঠিল, (৩) মোৰ মূৰটো খালে, (৪) ৰামৰ কথাত মূৰ ঘমাই লাভ নাই, (৫) ফিটাডালৰ মূৰত ধৰা। এই বাক্যবোৰত 'মূৰ' শব্দটোৰ বিভিন্ন পৰিৱেশত প্ৰয়োগ ঘটিছে। প্ৰথম বাক্যটোত 'মূৰ' শব্দই শৰীৰৰ এটা অংশক বুজাইছে, দ্বিতীয় বাক্যত 'অতপালি' বুজাইছে; তৃতীয় বাক্যত 'সৰ্বনাশ' বুজাইছে; চতুৰ্থ বাক্যত 'চিন্তা' বুজাইছে আৰু পঞ্চম বাক্যত ফিটাডালৰ এটা 'ফালক' বুজাইছে। 'মূৰ' শব্দটো ভিন্ ভিন্ পৰিস্থিতিত, ভিন্ ভিন্ শব্দৰ পৰিৱেশত, ভিন্ ভিন্ সুৰত ভিন্ ভিন্ অৰ্থ বহন কৰে। এই ধাৰাৰ অৰ্থতাত্ত্বিকসকলে শব্দক ভাষাৰ হাথিয়াৰ বা সঁজুলি (as tools) হিচাপে ব্যৱহাৰ কৰিছে।

পঞ্চাশ আৰু ষাঠিৰ দশকৰ মাজভাগত নোৱম চমস্কি আৰু তেওঁৰ অনুগামী-সকলে ভাষাত ব্যৱহাৰ কৰা বাক্যৰ গূঢ় বা প্ৰকৃত অৰ্থ ঠাৱৰ কৰিবলৈ ৰূপান্তৰকৰণ (Transformation)ৰ সহায় লৈছিল। ১৯৬৫ চনত নোৱম চমস্কিয়ে ভাষাৰ আলোচনাত নতুন তত্ত্ব আৰু অভিনৱ ব্যাখ্যা সংযোগ কৰি ৰচনা কৰা ব্যাকৰণক 'ৰূপান্তৰ উৎপাদক ব্যাকৰণ' (Transformational Generative Grammar) বুলি অভিহিত কৰা হৈছে। এই ব্যাকৰণ আৰু অৰ্থতত্ত্বৰ মাজত ওতপ্ৰোত সম্বন্ধ আছে। চমস্কিয়ে আগবঢ়োৱা ভাষাৰ নতুন তত্ত্বৰ আধাৰত বাক্যৰ মাজত অন্তৰ্নিহিত হৈ থকা গূঢ় অৰ্থ বিচাৰ কৰাৰ পথ সূচল হ'ল। শব্দসমূহৰ জৰিয়তে সৃষ্টি কৰা বাক্যৰ গঠন দুটা — এটা বাহ্যিক গঠন (Surface Structure)। ই প্ৰত্যেকজন শ্ৰোতাৰ কাণত বাজি উঠে, ই বাহ্যিক শব্দৰ আৱৰণ। কিন্তু বাহ্যিক শব্দৰ আৱৰণৰ অভ্যন্তৰণত আৰু একোটা গভীৰ অৰ্থ লুকাই থাকে, ই হ'ল বাক্যৰ 'অন্তৰংগ গঠন' (Deep Structure)। বাক্যৰ মাজত অন্তৰ্নিহিত হৈ থকা গভীৰ স্বৰূপ অন্তৰ্দৃষ্টিসম্পন্ন মাতৃভাষীয়ে সহজে উপলব্ধি কৰিব পাৰে। গতিকে এই গভীৰ স্বৰূপ অৰ্থভিত্তিক। অৰ্থৰ উপলব্ধিয়েই হৈছে, ভাষাৰ কেন্দ্ৰবিন্দু। 'ৰূপান্তৰ উৎপাদক ব্যাকৰণ'এ ৰূপান্তৰকৰণ প্ৰক্ৰিয়াৰে অৰ্থৰ উপলব্ধিক ভাষাৰ কেন্দ্ৰবিন্দুলৈ যোৱাৰ পথ সূচল কৰে। অৰ্থতত্ত্বৰ অধ্যয়নত বিশেষকৈ শব্দৰ প্ৰকৃত অৰ্থ অন্বেষণত 'ৰূপান্তৰ উৎপাদক ব্যাকৰণ'ৰ গুৰুত্বপূৰ্ণ ভূমিকা আছে।

আচৰণকেন্দ্ৰিক মনস্তাত্ত্বিকসকলৰ মতে, মূৰ্ত আৰু অমূৰ্ত বস্তু বা কাৰ্যক বুজাবলৈ ব্যৱহৃত প্ৰতিটো শব্দই একোটা সঁহাৰি দাবী কৰে, সেই সঁহাৰিয়েই হৈছে

অৰ্থ। উদাহৰণস্বৰূপে, টেলিফোনত ৰিং কৰা শব্দ শুনি সঁহাৰি স্বৰূপে 'হেল্লো' কোৱা হয়। ইয়ো শ্ৰোতাৰ প্ৰতিক্ৰিয়া জনোৱা এক মানসিক প্ৰস্তুতি। মাক-দেউতাক বা শিক্ষকে এটা ল'ৰাই চিঞৰ-বাখৰ কৰি থাকোঁতে তাক শাসন কৰোঁতে 'চুপ' শব্দটো ব্যৱহাৰ কৰে। এই 'চুপ' শব্দটো উচ্চাৰণ কৰাৰ উপৰি অভিনয় কৰি দেখুৱালেহে শব্দটোৰ অৰ্থ স্পষ্ট হয়, তেনেহ'লে শব্দৰ প্ৰকৃত অৰ্থবোধ জন্মাবলৈ অংগী-ভংগীয়েও যথেষ্ট সহায় কৰে।

আধুনিক ভাষাবিজ্ঞানীসকলে অৰ্থতত্ত্ব সম্পৰ্কে নতুন চিন্তা-চৰ্চাৰ বাট মুকলি কৰিছে। বিশেষকৈ ষাঠিৰ দশকৰ পাছৰ পৰা ভাষাৰ লগত জড়িত বিভিন্ন বিদ্যায়তনিক শৃংখলাৰ বিষয়সমূহে অৰ্থতত্ত্বৰ বিষয়টোত অধিক গুৰুত্ব প্ৰদান কৰিছে আৰু নিজাকৈ অৰ্থ সম্পৰ্কে সুকীয়া সুকীয়া তত্ত্ব আগবঢ়াইছে। গঠনাত্মক ভাষা-বিজ্ঞান, সংজ্ঞাত্মকবিজ্ঞান, মনোবিজ্ঞান, নৃবিজ্ঞান আদি বিভাগসমূহে অৰ্থ কি? অৰ্থৰ উৎস কি? অৰ্থ প্ৰকাশ কৰিবলৈ ভাষা ব্যৱহাৰ কৰেনে? ভাষাই অৰ্থ বহন কৰেনে?— এনে ধৰণৰ বহুতো প্ৰশ্ন অৱতাৰণা কৰি তাৰ সমিধানৰ পথ বিচাৰি উলিয়াইছে। সাম্প্ৰতিক কালত ভাষাবিজ্ঞানৰ চিন্তা-চৰ্চা অধিক গতিশীল হৈ নতুন দিশলৈ গতি কৰিছে।